যোৰহাট মহাবিদ্যালয়ত ভাৰতীয় জ্ঞান পৰম্পৰা সম্পৰ্কীয় ৰাষ্ট্ৰীয় কৰ্মশালা আৰম্ভ

'সৰহসংখ্যক আধুনিক জ্ঞানৰে প্ৰকৃত উৎস হৈছে ভাৰতবৰ্ষ'

'আমাৰ অসম'ৰ যোৰহাটৰ ষ্টাফ ৰিপ'টাৰ, ২৪ আগষ্ট ঃ নেডফিৰ অৰ্থ সাহায্যত যোৰহাট মহাবিদ্যালয়ত আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ উদ্যোগত আজিৰে পৰা সাতদিনীয়াকৈ ভাৰতীয় জ্ঞান ব্যৱস্থা বিষয়ক এখন ৰাষ্ট্ৰীয় কৰ্মশালা আৰম্ভ হৈছে। আজি কৰ্মশালাখনৰ শুভাৰম্ভণি অনুষ্ঠানত উত্তৰ লক্ষীমপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মুকুল চন্দ্ৰ বৰাই মূল বক্তাৰূপে অংশগ্ৰহণ কৰে। মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক তথা ৰাষ্ট্ৰীয় কৰ্মশালাখনৰ সমন্বয়ক ড° গীতাৰ্থ গোস্বামীয়ে আঁতধৰা অনুষ্ঠানটো এগছি বস্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ ড° পৰিত্ৰ প্ৰাণ গোস্বামীয়ে। ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ সংগীত পৰিৱেশন কৰাৰ পাছতে অনুষ্ঠানটোৰ সঞ্চালক তথা বৰ্তমানৰ অধ্যক্ষ ড° সৌমিত্ৰ পূজাৰীয়ে আদৰণী ভাষণ প্ৰদান কৰে। জ্ঞান পৰম্পৰাত চহকী ভাৰতীয় সমাজ ব্যৱস্থাৰ বিষয়ে এই কৰ্মশালাই সকলোকে সমৃদ্ধ কৰাৰ আশাৰ বিষয়ে আদৰণী ভাষণত ব্যক্ত কৰে। এই কৰ্মশালাখনৰ লগত সংগতি ৰাখি ভাৰতীয় জ্ঞান পৰম্পৰাৰ বিষয়ক এখন গৱেষণামূলক গ্ৰন্থ প্ৰকাশৰো সদিচ্ছা ব্যক্ত কৰে। প্ৰাক্তন অধ্যক্ষ ড° পৰিত্ৰপ্ৰাণ গোস্বামীয়ে বক্তব্যত ইংৰাজৰ আগমনৰ পাছতে ভাৰতীয় সমাজ-সংস্কৃতি সলনি হোৱাৰ বিষয়ে উল্লেখ কৰে। সাতদিনীয়া কৰ্মশালাৰ আজি প্ৰথম দিনা ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষক-কৰ্মচাৰীৰ লগতে প্ৰাক্তন শিক্ষক-শিক্ষয়ত্ৰীয়ে সক্ৰিয় অংশগ্ৰহণ কৰে। শিক্ষা বিভাগৰ সহকাৰী অধ্যাপিকা তথা কৰ্মশালাখনৰ সহ-সমন্বয়ক ড° ৰশ্মি দাসে বীজ ভাষণ প্ৰদান কৰোতা ড° মুকুল চন্দ্ৰ বৰাৰ চমু পৰিচয় আগবঢ়ায়। ড° বৰাই সমৃদ্ধিশালী ভাৰতীয় জ্ঞান পৰম্পৰাৰ বিষয়ে বিস্তৃত আভাস দিয়ে। চিকিৎসা, কৃষিৰ পৰা আৰম্ভ কৰি ধৰ্মশাস্ত্ৰলৈকে সকলো বিষয় সামৰি তেওঁ তথ্যসমৃদ্ধ, মনোজ্ঞ আৰু ৰসাল বক্তৃতা প্ৰদান কৰে। প্ৰসংগক্ৰমে তেওঁ কয় যে পশ্চিমীয়া সংস্কৃতিৰ অৱদান বুলি আমি সততে আকোঁৱালি লোৱা সৰহসংখ্যক আধুনিক জ্ঞানৰে প্ৰকৃত উৎস হৈছে ভাৰতবৰ্ষ। এই জ্ঞানসমূহ আমাৰ পূৰ্বপুৰুষে ৰচনা কৰা ধৰ্মগ্ৰন্থ আদিত লিপিবদ্ধ হৈ আছে। যিবোৰৰ বিষয়ে অধ্যয়ন আৰু পুনৰচৰ্চাৰ প্ৰয়োজন আছে। অংশগ্ৰহণকাৰীসকলক তেওঁ ভাৰতীয় জ্ঞান পৰম্পৰাৰ অধ্যয়ন আৰু চৰ্চাৰ আহ্বান জনায়। শেষত, আয়োজক সমিতিৰ হৈ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ মুৰব্বী তথা কৰ্মশালাৰ সহ-সমন্বয়ক ড° ৰঞ্জিত ভট্টাচাৰ্যই শলাগৰ শৰাই আগবঢ়ায়।